**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-11-2024 **Time :** 1205 Hrs

***Assamese Midday (1205 Hrs.) Bulletin***

সমগ্ৰ দেশতে আজি ৰাষ্ট্ৰীয় সংবিধান দিৱস উদযাপন কৰা হৈছে। ভাৰতৰ সংবিধান গৃহীত হোৱাৰ ৭৫ সংখ্যক বছৰ উপলক্ষে কেন্দ্ৰীয় চৰকাৰে আজিৰে পৰা বছৰজোৰা উদযাপনৰ কথা ঘোষণা কৰিছে। এইবেলি দেশৰ সংবিধান গৃহীত হোৱাৰ ৭৫ বছৰ সম্পূৰ্ণ হৈছে।

সংবিধান দিৱসৰ সৈতে সংগতি ৰাখি দিল্লীৰ সংবিধান সদনৰ কেন্দ্ৰীয় প্ৰেক্ষাগৃহত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৰাজ্যসভা আৰু লোকসভাৰ সদস্যসকলক সম্বোধন কৰে। অনুষ্ঠানত উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, লোকসভাৰ অধ্যক্ষ ওম বিৰলা তথা ভালেকেইগৰাকী কেন্দ্ৰীয় মন্ত্ৰীকে ধৰি গণ্যমান্য ব্যক্তিসকল উপস্থিত থাকে।

ইপিনে, দেশৰ আন আন প্ৰান্তৰ লগতে ৰাজ্যতো সংবিধান দিৱস উপলক্ষে বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। ক্ৰীড়া আৰু যুৱ কল্যাণ সঞ্চালকালয়ৰ উদ্যোগত মহানগৰীৰ ফটাশিল আমবাৰীৰ জি এম চি নিউ কলনী, ড° বি আৰ আম্বেদকাৰ পথত আজি পুৱা অনুষ্ঠিত সংবিধান দিৱসৰ কাৰ্যসূচীত ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ মন্ত্ৰী নন্দিতা গাৰ্লোচাই পদযাত্ৰাত অংশগ্ৰহণ কৰে।

ইপিনে সংবিধান দিৱসৰ লগত সংগতি ৰাখি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰ্যালয়ৰ অধীনস্থ ছেন্ট্ৰেল ব্যুৰ অৱ কমিউনিকেচনছ চমুকৈ চি বি চি গুৱাহাটীৰ উদ্যোগত আজি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হয়। এই অনুষ্ঠানৰ অংশ হিচাপে মহিলাৰ আইনী অধিকাৰ, শিশু শ্ৰমিক আইন, বাল্য বিবাহ প্ৰতিৰোধ আদিকে ধৰি আইনী বিষয়সমূহৰ সন্দৰ্ভত সাধাৰণ জনতাৰ মাজত সজাগতা সৃষ্টিৰ অৰ্থে কামৰূপ জিলাৰ ভিন্ন প্ৰান্তত আইনী সাহায্য শিবিৰো স্থাপন কৰা হৈছে। গুৱাহাটী উচ্চ ন্যায়ালয়তো আজি সংবিধান দিৱস অনুষ্ঠিত হয়। সংবিধান দিৱস উপলক্ষে আজি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগতো সমূহ বিষয়া-কৰ্মচাৰীয়ে সংবিধানৰ শপত বাক্য পাঠ কৰে।

আজি আৰম্ভ হোৱা এই উদযাপন কাৰ্যসূচী অহা বছৰৰ ২৬ নৱেম্বৰ পৰ্যন্ত চলি থাকিব। ১৯৪৯ চনৰ ২৬ নৱেম্বৰত ভাৰতৰ সংবিধান গৃহীত হৈছিল আৰু ১৯৫০ চনৰ ২৬ জানুৱাৰী তাৰিখে সংবিধান কাৰ্যকৰী কৰা হৈছিল।

oooooo

ভাওনাৰ উত্তৰণৰ বাবে টীয়কৰ কলিয়াপানীৰ শ্ৰীশ্ৰী আউনীআটি সত্ৰত সদৌ অসম ভাওনা সন্মিলনৰ প্ৰথম কেন্দ্ৰীয় অভিৰ্বতনৰ আয়োজন কৰা হৈছে। সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱগোস্বামীয়ে সংবাদ মাধ্যমৰ সন্মুখত এই কথা প্ৰকাশ কৰে। অহা ৬, ৭ আৰু ৮ ডিচেম্বৰত এই প্ৰথম কেন্দ্ৰীয় অভিৰ্বতন অনুষ্ঠিত হ'ব। অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ লগতে কেইবাগৰাকীও মন্ত্ৰী উপস্থিত থাকিব। এই অভিৰ্বতনত যুৱ সন্মিলনস, মহিলা সন্মিলন, ভাওনা প্ৰতিযোগিতাৰ বিচাৰকৰ সন্মিলন, সমাৱৰ্তন, অংকীয়া নাট প্ৰদৰ্শন আদি অনুষ্ঠিত হ'ব।

oooooooo

অসম চৰকাৰে ৰাজ্যৰ শিক্ষা ব্যৱস্থাৰ উন্নয়নৰ প্ৰচেষ্টাৰ অংশ হিচাপে ৭০০ খন অতি উচ্চ মানৰ বিদ্যালয় নিৰ্মাণ কৰাৰ পৰিকল্পনা গ্ৰহণ কৰিছে। এগৰাকী জ্যেষ্ঠ বিষয়াই প্ৰকাশ কৰা মতে শিক্ষাৰ মান

উন্নত কৰা আৰু ছাত্ৰ-ছাত্ৰীসকলৰ বাবে উচ্চমানৰ শিকন সম্পদ উপলভ্য কৰোৱাই এই উদ্ভাৱনমূলক ব্যৱস্থাৰ মূল উদ্দেশ্য।  ৰূপান্তৰকামী শিক্ষা পৰিকাঠামো গঢ়ি তোলাৰ উদ্দেশ্যে এই প্ৰকল্পৰ অধীনত অত্যাধুনিক প্ৰযুক্তি, আধুনিক আন্তঃগাঁথনি আৰু দক্ষতাৰ ব্যৱস্থাপনাত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব। ইয়াৰ পূৰ্বে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে চৰকাৰে ভৌতিক শিক্ষাৰ লগতে বিদ্যালয়সমূহত ডিজিটেল শ্ৰেণীৰ প্ৰসাৰত গুৰুত্ব আৰোপ কৰিব বুলি প্ৰকাশ কৰিছিল।

oooooooo

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত আজিৰপৰা চাৰিদিনীয়া কাৰ্যসূচীৰে  আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলা অনুষ্ঠিত হৈছে। কাজিৰঙাৰ লগতে ৰাজ্যখনৰ পৰ্যটনৰ উৎকৰ্ষ সাধনৰ বাবে কেন্দ্ৰীয় পৰ্যটন মন্ত্ৰালয়ে অসম পৰ্যটনৰ সহযোগত এই মেলাৰ আয়োজন কৰিছে। এই পৰ্যটন মেলাত বিভিন্ন দেশৰ ২০ গৰাকী প্ৰতিনিধিৰ লগতে কেন্দ্ৰীয় পৰ্যটন মন্ত্ৰালয়ৰ ১৮০ গৰাকী প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব। বিদেশী অতিথিসকলে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান, হাতীখুলি চাহ বাগিচা আৰু কাজিৰঙা জাতীয় অৰ্কিড উদ্যান দৰ্শন কৰিব। উদ্যান কৰ্তৃপক্ষই ইতিমধ্যে পৰ্যটন মেলাৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। এই অনুষ্ঠানত কাইলৈ কেন্দ্ৰীয় পৰ্যটন তথা সাংস্কৃতিক মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱট, কেন্দ্ৰীয় বন্দৰ জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু অৰুণাচল মুখ্যমন্ত্ৰী পেমা খাণ্ডুৰ লগতে কেন্দ্ৰীয় পৰ্যটন মন্ত্ৰালয়ৰ ৰাজ্যিক মন্ত্ৰী সুৰেশ গোপী উপস্থিত থাকিব। অহা ২৯ নৱেম্বৰত এই মেলাৰ সামৰণি পৰিব।

oooooo

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, ডি আৰ এম ফ্ৰিকুৱেঞ্চি এহেজাৰ ২৬ কিলোহাৰ্টজ, এফ এম বেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফে'চবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিবলৈ পাইছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী**  ফ'ল' কৰিব পাৰে।

ooooooo

সমাপ্ত